# হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান




নিতাই পুখুৰী ঃ নিজা প্ৰতিবেদক, ২৬ ছেপ্টেম্বৰ ঃ নিতাই পুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। আজি পুৱা সামূহিক চাফাই, গছপুলি ৰোপণ আৰু প্ৰতিপালন শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰেৱকান্ত বৰাই। হীৰক জয়ন্তীৰ পতাকা উত্তোলন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ ৰজনীকান্ত দত্তই। মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° বিৰিঞ্চিকুমাৰ বৰাই। আনহাতে, হীৰক জয়ন্তী উপলক্ষে ৬০খন পতাকা উত্তোলন কৰে অঞ্চলৰ সামাজিক জীৱনৰ লগত জড়িত বিশিষ্ট ব্যক্তিয়ে। হেমচন্দ্ৰ দেৱগোস্বামীৰ আৱক্ষমূৰ্তিত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিপিন দত্তই। স্মৃতি তৰ্পণ কৰে ৰজনীকান্ত দত্তই। ডিমৌ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বিপুল গগৈৰ সঞ্চালনাত অনুষ্ঠিত 'ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰেক্ষাপটত গ্ৰামাঞ্চলৰ উচ্চ শিক্ষানুষ্ঠানঃপ্ৰত্যাহ্বান আৰু সম্ভাৱনা' শীৰ্ষক শৈক্ষিক আলোচনা চক্ৰ উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰূপম শইকীয়াই। অনুষ্ঠানত আলোচক হিচাপে অংশগ্ৰহণ কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিত শইকীয়া আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰবালজ্যোতি ফুকনে। আদৰণী ভাষণ আগবঢ়ায় অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ বৰাই। ইয়াৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাৰোহ অনুষ্ঠান সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লোহিত কুমাৰ শইকীয়াই। প্ৰাক্তন ছাত্ৰ যদু গগৈয়ে উদ্বোধন কৰা অনুষ্ঠানটোৰ আঁত ধৰে প্ৰাক্তন ছাত্ৰ মুকুট গগৈয়ে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা ক্ৰমে ফণীধৰ শইকীয়া, অঞ্জলি গগৈ, দীপালী গগৈ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে ড°নিৰোদ গোহাঁই, জিতুমণি গগৈ, অনুপ বৰঠাকুৰ, প্ৰদীপ বৰা, প্ৰশান্ত চমুৱা, তপন বৰগোহাঁই, প্ৰমোদ বৰা, জয়ন্ত লাহন, লৱন চুতীয়া, মঞ্জু কোঁৱৰ, ক্ষীৰদা গগৈ, শিশুলীলা কোঁৱৰ, সন্ধ্যা কোঁৱৰ, সত্যপ্ৰভা গগৈকে ধৰি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইফালে সন্ধিয়া ৬০ গছি বন্তি প্ৰজ্বলন কৰা হয়। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ হীৰক জয়ন্তী ২০-২২ ছেপ্টেম্বৰত হোৱাৰ কথা আছিল যদিও জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাবে অনুষ্ঠান স্থগিত ৰখা হৈছিল। আনহাতে, অনুষ্ঠানৰ কেইবাটাও কাৰ্যসূচী বিশেষকৈ সাংস্কৃতিক সন্ধিয়া বাতিল কৰে।